/

অসম চৰকাৰ

**সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়**

**মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প , কমলাবাৰী**

**No. CDPO(M) ICDS/217/2025-26/508** Date Majuli the 9th Jan.2025

## কাৰ্যালয় জাননী

অসম চৰকাৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ নিৰ্দেশনা No. DWCD(ICDS)E/51/2023/33 Dtd. 29-10-24 আৰু No. DWCD(ICDS)E/51/2023/34 dtd. 29-10-24 অনুসৰি, ইয়াৰ দ্বাৰা মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ তলত উল্লেখ কৰা অঙ্গনবাড়ী কেন্দ্ৰসমূহত খালী হৈ থকা অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা পদত স্বেচ্ছামূলক সেৱাৰ বাবে স্থানীয় ইচ্ছুক মহিলাৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । আবেদন প্ৰ-পত্ৰ কাৰ্যালয় খোলা অৱস্থাত কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব। কাৰ্যালয়ৰ পৰা যোগান ধৰা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি যাৱতীয় তথ্য আৰু নথি পত্ৰ সহ বিজ্ঞাপনৰ জাননী প্ৰকাশ হোৱা তাৰিখৰ পৰা অহা ইং ২৪/০১/২০২৫ তাৰিখৰ ভিতৰত নিম্নস্বাক্ষৰকাৰীৰ কাৰ্যালয়ত জমা দিব পাৰিব । সাক্ষাৎকাৰৰ তাৰিখ ও স্থান পৰৱৰ্তী সময়ত কাৰ্যালয়ত ঘোষণা কৰা হব।

| ক্ৰঃ নং | অঙ্গনবাড়ী কেন্দ্ৰৰ নাম | খালী পদৰ নাম | সংৰক্ষণ(যদি আছে) |
|---|---|---|---|
| ১ | ধুৰাচলা জনজাতি | অঙ্গনবাড়ী সহায়িকা | অসংৰিক্ষত |
| ২ | ২ নং মহখুটি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩ | ধাপাক | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৪ | জুগুনিধাৰী | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জাতি |
| ৫ | বেলসিদ্ধিয়া | অঙ্গনবাড়ী সহায়িকা | অন্যান্য পিছপৰা |
| ৬ | মেকাহী চাপৰি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৭ | চকৰিটিকা মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৮ | মটিয়াবাৰী মিচিং | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৯ | গেৰেকী ভূৰামৰা | অঙ্গনবাড়ী কৰ্মী | অনুসূচীত জনজাতি |
| ১০ | নতুন খলিহামাৰী মিনি | অঙ্গনবাড়ী সহায়িকা | অসংৰিক্ষত |
| ১১ | মিলনপুৰ পগাগচুক মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ১২ | টেঙাগুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ১৩ | থানগুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ১৪ | কহাৰডুবি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ১৫ | খলিহামাৰী | অঙ্গনবাড়ী সহায়িকা | অসংৰিক্ষত |
| ১৬ | সোৱনী জকাইবোৱা মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ১৭ | আমলখি গুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জাতি |
| ১৮ | মলাপিন্ধা অঘৰীয়া মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |

| | | | |
|---|---|---|---|
| ১৯ | উলুপাম মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২০ | কৰতিপাৰ কৈৱৰ্ত মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২১ | মলাপিক্কা নৰপুৰ বগৰিগুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২২ | চিলাকলা ভাটি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জাতি |
| ২৩ | বৰুনচুক মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৪ | ভাঙুনমাৰী মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৫ | লিলাবাৰী মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৬ | মিছামৰা ডুমচুক মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৭ | গোপালচুক বিৰচন চুবুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৮ | ভেকেলি মদাৰগুৰি মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ২৯ | ভেকেলি শান্তিপুৰ মিনি | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩০ | উজিৰআটি | অঙ্গনবাড়ী সহায়িকা | অসংৰক্ষিত |
| ৩১ | কুহিয়াবাৰী | অঙ্গনবাড়ী কৰ্মী | অসংৰক্ষিত |
| ৩২ | ন-পমুৱা | অঙ্গনবাড়ী কৰ্মী | অসংৰক্ষিত |
| ৩৩ | মিলি গাঁও | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩৪ | ময়েংগিয়া তাঁতীবাৰী | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩৫ | উজনি গেজেৰা | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩৬ | বোকাজান | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জনজাতি |
| ৩৭ | বাঘগাঁও | অঙ্গনবাড়ী সহায়িকা | অনুসূচীত জাতি |
| ৩৮ | পহুমৰা নাথ গাঁও | অঙ্গনবাড়ী সহায়িকা | অসংৰক্ষিত |
| ৩৯ | পহুমৰা কলিতা | অঙ্গনবাড়ী সহায়িকা | অসংৰক্ষিত |

**অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা পদৰ আবেদনৰ বাবে বাধ্যতামূলক আৰশ্যকীয় আৰু শিক্ষাগত অৰ্হতা (Mandatory Requirement and Qualification) :**

১. অঙ্গনবাড়ী কেন্দ্ৰৰ কৰ্মী /সহায়িকা পদৰ প্ৰাৰ্থীগৰাকী অঙ্গনবাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ ভিতৰৰ স্থানীয় মহিলা হব লাগিব । য'ত অঙ্গনবাড়ী কেন্দ্ৰটো অৱস্থিত।

২. প্ৰাৰ্থীৰ বয়স ইং ০১/০১/২০২৫ তাৰিখত নিম্নতম ১৮ বছৰ আৰু সৰ্বোচ্চ ৪৪ বছৰৰ ভিতৰত হব লাগিব।

৩. অঙ্গনবাড়ী কৰ্মী পদৰ শিক্ষাগত অৰ্হতা কমেও উচ্চতৰ মাধ্যমিক পৰীক্ষা(HSSLC) ত উত্তীৰ্ণ হব লাগিব আৰু অসম চৰকাৰৰ অধীনৰ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC)বা সমপৰ্য্যায়ৰ ব'ৰ্ড / কাউঞ্চিলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত পৰীক্ষাত উত্তীৰ্ন হব লাগিব । যদি উক্ত অঙ্গনবাড়ী কেন্দ্ৰ এলেকাত উচ্চতৰ মাধ্যমিক পৰীক্ষা (HSSLC)ত উত্তীৰ্ন প্ৰাৰ্থী নাথাকে তেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) / হাইমাদ্ৰাছা পৰীক্ষা (AHM)ত উত্তীৰ্ন অথবা অসম চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত HSLC/ AHM ৰ সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ন আবেদনকাৰীক বিবেচনা কৰা হব ।

৪. অঙ্গনবাড়ী সহায়িকা পদৰ প্ৰাৰ্থী কমেও হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) / হাইমাদ্ৰাছা পৰীক্ষা (AHM)ত উত্তীৰ্ন হব লাগিব । যদিহে উক্ত অঙ্গনবাড়ী কেন্দ্ৰ এলেকাত HSLC/ AHM পৰীক্ষাত উত্তীৰ্ন প্ৰাৰ্থী নাথাকে তেতিয়া শিক্ষাগত অৰ্হতা নৱম শ্ৰেণী উত্তীৰ্ন আবেদনকাৰীক বিবেচনা কৰা হব । নৱম শ্ৰেণী উত্তীৰ্ন প্ৰমাণ পত্ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা প্ৰতি স্বাক্ষৰিত(Countersigned) হব লাগিব।

মহামান্য উচ্চ ন্যায়লয়ৰ কেচ নং WP(C) নং ৩৪০৯/২০১৫ আৰু মাধ্যমিক শিক্ষাপৰিষদৰ পত্ৰ নং SEBA/AB/Govt./I/2005/349, dtd.08/07/2015 মৰ্মে প্ৰাৰ্থীসকলৰ জ্ঞাতাৰ্থে জনোৱা যায় যে, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা BPP প্ৰমাণ পত্ৰ, অসম মাধ্যমিক শিক্ষা পৰিষদে অনুষ্ঠিত কৰা HSLC/ AHM পৰীক্ষাৰ সমপৰ্য্যায়িৰ বুলি গণ্য কৰা নহব। গতিকে যিসকল আবেদনকাৰীয়ে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ BPP প্ৰমাণ পত্ৰ প্ৰদান কৰে উক্ত প্ৰমাণ পত্ৰসমূহ HSLC/ AHM পৰীক্ষাৰ সমপৰ্য্যায়িৰ বুলি গণ্য কৰা নহব।

৫. স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ট গাঁওবুঢ়া, গাঁও পঞ্চায়তৰ সদস্য / সভাপতিৰ পৰা সংগ্ৰহ কৰিব পাৰিব ।

৬. অঙ্গনবাড়ী কৰ্মী / সহায়িকা পদৰ বাবে প্ৰয়োজনীয় নূন্যতম শিক্ষাগত অৰ্হতাৰ পৰীক্ষাত লাভ কৰা নম্বৰৰ মেধাৰ ভিত্তিত প্ৰাৰ্থী বাচনি কৰা হব ।

৭. অঙ্গনবাড়ী কৰ্মী / সহায়িকাৰ অৱসৰৰ বয়স ৬০ বছৰ হব আৰু ৬০ বছৰ বয়স হোৱাৰ লগে লগেই উক্ত পদৰ পৰা অব্যাহতি দিয়া হব ।

৮. শিশু উন্নয়ন প্ৰকল্প বিষয়াই নিৰ্বাচিত অঙ্গনবাড়ী কৰ্মী /সহায়িকা সকলক স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ সন্মতি প্ৰদানৰ বাবে পত্ৰ প্ৰদান কৰিব আৰু অঙ্গনবাড়ী কৰ্মী / সহায়িকাই অঙ্গনবাড়ী কেন্দ্ৰত স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ নিৰ্ধাৰিত সময়ৰ ভিতৰত সন্মতি পত্ৰ প্ৰদান কৰিব লাগিব ।

৯. অঙ্গনবাড়ী কৰ্মী /সহায়িকা পদৰ প্ৰাৰ্থীয়ে অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত চিকিৎসালয়ৰ চিকিৎসকৰ দ্বাৰা সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্য সম্পৰ্কে প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব ।

১০. অঙ্গনবাড়ী কেন্দ্ৰৰ এলেকাত যদি ৪০ শতাংশ বা ততোধিক অনুসূচীত জাতি / অনুসূচীত জনজাতি / চাহ জনগোষ্ঠীৰ লোক থাকে তেন্তে উক্ত কেন্দ্ৰত তেওঁলোকৰ মাজৰ পৰাহে কৰ্মী / সহায়িকা মকৰল কৰা হব।

১১. বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ বাবে ৩ শতাংশ পদ সংৰক্ষিত থাকিব ।

১২. নিৰ্বাচিত অঙ্গনবাড়ী কৰ্মী / সহায়িকা সকলক চৰকাৰী নিৰিখ মতে পাৰিতোষিক প্ৰদান কৰা হব ।

**আবেদনকাৰীয়ে আবেদনৰ লগত তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমূহৰ ওপৰত প্ৰয়োজনমতে স্ব-স্বাক্ষৰিত প্ৰতিলিপি দাখিল কৰিব লাগিব ।**

(ক) শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ(Certificate)আৰু নম্বৰ তালিকা(Marks- sheet)

(খ) আবেদনকাৰীয়ে আবেদন কৰা সময়ত বসবাস কৰি থকা অঞ্চলৰ প্ৰমাণ পত্ৰ।

(গ) বয়সৰ প্ৰমান পত্ৰ।

(ঘ) চৰকাৰী চিকিৎসকৰ স্বাস্থ্য সম্পৰ্কীয় প্ৰমান পত্ৰ।

(ঙ) জাতিগত প্ৰমান পত্ৰ।

(চ) আধাৰ কাৰ্ডৰ ফটোষ্টেত কপি

(ছ) আবেদনকাৰীৰ একপি পাচপৰ্ট ফটো।

**তলত দিয়া কাৰণ সমূহৰ কাৰণে কোনো আবেদনকাৰীৰ প্ৰাৰ্থীত্ব বাতিল হব পাৰে ঃ**

(ক) প্ৰাৰ্থীৰ মানসিক অৱস্থা যদি সুস্থিৰ নহয়।

(খ) ভগ্ন স্বাস্থ্য আৰু যদি জটিল ৰোগত আক্ৰান্ত হয়।

(গ) আদালতত ফৌজদাৰী গোচৰ চলি থকা আবেদনকাৰী।

(ঘ) বিদ্যালয় অথবা মহাবিদ্যালয়ত পঢ়ি থকা নিয়মীয়া ছাত্ৰী ।

(ঙ) অবেদনকাৰীয়ে আবেদন দাখিল কৰা আৰু প্ৰাৰ্থী মকৰল কৰাৰ আগেয়ে যদি অঙ্গনবাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ বাহিৰ এলেকালৈ স্থায়ীভাৱে বসবাস কৰিবলৈ গুচি যায় তেনেহলে তেওঁক মকৰল কৰা নহব । এই বিষয়ে কৰ্তৃপক্ষই যদি প্ৰাৰ্থী মকৰল কৰাৰ আগেয়ে প্ৰমাণিক তথ্য পায় তেন্তে তেনে প্ৰাৰ্থীক মকৰল কৰা নহব।

(চ) আবেদনকাৰীয়ে দাখিল কৰা আবেদন পত্ৰ অসম্পূৰ্ণ হলে অথবা অবেদনকাৰীৰ উল্লেখিত(বাধ্যতামূলক) প্ৰয়োজনীয় চৰ্তাৱলী পূৰণ নকৰা আবেদন পত্ৰসমূহ নাকচ কৰা হব ।

(ছ) কোনো ভুল তথ্য বা ভুলনথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী বিবেচিত হয়, সেইটো পিছত প্ৰমাণিত হলে তেনে প্ৰাৰ্থীক বৰ্খাস্ত কৰা হব।

Sd/-

শিশু উন্নয়ন প্ৰকল্প বিষয়া
মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প
কমলাবাৰী

No. CDPO(M) ICDS/217/2025-26/508 Date Majuli the 9th Jan.2025

প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ঃ -

১) মাননীয় সঞ্চালক মহোদয়, মহিলা আৰু শিশু বিকাশ বিভাগ, অসম , গুৱাহাটী -১।
২) মাননীয় জিলা আয়ুক্ত মহোদয় , মাজুলী জিলা , গড়মূৰ।
৩) মাননীয় অতিৰিক্ত জিলা আয়ুক্ত মহোদয়, মহিলা আৰু শিশু বিকাশ বিভাগ , মাজুলী ।
৪) মাননীয় জিলা সমাজ কল্যাণ বিষয়া মহোদয়, মাজুলী ।
৫) মাননীয় জিলা তথ্য আৰু জনসংযোগ বিষয়া মহোদয়, জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ অৰ্থে।
৬) মাননীয় যুটীয়া সঞ্চালক মহোদয়, স্বাস্থ্য বিভাগ, মাজুলী।
৭) মাননীয় উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া মহোদয়, জেংৰাইমুখ।
৮) সংশ্লিষ্ট মুখ্যসেৱিকাৰ জ্ঞাতাৰ্থে ও বহুল প্ৰচাৰৰ অৰ্থে ।
৯) কাৰ্য্যালয়ৰ নথি।

9/1/25

শিশু উন্নয়ন প্ৰকল্প বিষয়া
মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প
কমলাবাৰী